জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৮১/২০২০

**বিটিআৰৰ ১৬ টা সংগঠনৰ প্ৰতিনিধি দলে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক**

# ৰাজ্য চৰকাৰে সঘনে পৰ্যালোচনা কৰি থাকিব বিটিআৰৰ আইন-শৃংখলাজনিত পৰিস্থিতি ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ নৱেম্বৰ ঃ** বড়োলেণ্ড স্বায়ত্তশাসিত অঞ্চল (বিটিআৰ) ৰ ১৬ টা বিভিন্ন সংগঠনৰ উমৈহতীয়া মঞ্চ সমন্বয়ৰক্ষী সমিতিৰ সৈতে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ তেখেতৰ চৰকাৰী আৱাসগৃহৰ সভাকক্ষত এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত সমন্বয়ৰক্ষী সমিতিৰ তৰফৰ পৰা আগন্তুক বিটিআৰ নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰক প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এই নিৰ্বাচনত যাতে জনসাধাৰণে নিৰ্ভয়ে ভোটদান কৰিব পাৰে সেই ক্ষেত্ৰত ৰাজ্য চৰকাৰক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও সংগঠন কেইটাৰ প্ৰতিনিধিসকলে মুখ্যমন্ত্ৰীক আহ্বান জনায়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰা আৰু জনসাধাৰণে যাতে মুক্তমনে ভোটদান কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে বিটিআৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ মূল লক্ষ্য হৈছে এই এলেকাত বসবাস কৰা বড়ো জনগোষ্ঠীৰ লগতে প্ৰতিটো জনগোষ্ঠীৰে আৰ্থ-সামাজিক উন্নয়নৰ গতি ত্বৰান্বিত কৰা। আজি ঐক্যবদ্ধভাৱে বিভিন্ন জনগোষ্ঠীয় সংগঠনসমূহে এখন মঞ্চৰ জৰিয়তে আলোচনালৈ অহাটো গণতন্ত্ৰৰ বাবে এক শুভ লক্ষণ। মুখ্যমন্ত্ৰীয়ে কয় যে বিটিআৰ নিৰ্বাচনৰ সময়ত প্ৰশাসন ৰাইজৰ স্বাৰ্থত তথা নিৰপেক্ষভাৱে কৰ্মত ব্ৰতী হৈ থাকিব। তেওঁ লগতে কয় যে বিটিআৰৰ নিৰাপত্তাৰ বিষয়টো সঘনে পৰ্যালোচনা কৰি থকা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে বিটিআৰ চুক্তিৰ জৰিয়তে সমগ্ৰ এলেকাটোৰ উন্নয়ন সাধন কৰিব বিচৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতিৰে বিটিআৰ এলেকাত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰ সম-উন্নয়ন সুনিশ্চিত কৰাৰ বাবে আমি সকলোৱে মিলিত প্ৰচেষ্টাৰে কাম কৰিব লাগিব। বিটিআৰ শক্তিশালী হ'লেহে অসম শক্তিশালী হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ আস্থা আৰু বিশ্বাসক লৈ ৰাজ্য চৰকাৰে কাম কৰি আহিছে আৰু ভৱিষ্যতেও কাম কৰি যাব। বিভিন্ন সংগঠনে একেলগে অহাটো এক শুভবাৰ্তা। এই বাৰ্তাই আমাৰ মাজত থকা ঐক্যৰ ভেটি আৰু অধিক মজবুত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

আজিৰ এই আলোচনাৰ সময়ত সাংসদ তপন গগৈ, অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মমিনুল আৱাল, দুলীয়াজান-নুমলীগড় পাইপলাইন লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামী উপস্থিত থাকে। আনহাতে, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি প্ৰমুখ্যে বিটিআৰ গোৰ্খা সমাজ, সদৌ মদাহী কছাৰী ছাত্ৰ সন্থা, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থা, সদৌ অসম বেংগলী যুৱ ছাত্ৰ ফেডাৰেচন, সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা, সদৌ চাওতাল ছাত্ৰ সন্থা, সদৌ কুৰুক ছাত্ৰ সন্থা, সদৌ ৰাভা ছাত্ৰ সন্থা, বিটিআৰ অনুসূচীত জাতি ছাত্ৰ সন্থা, সদৌ বিটিআৰ অনুসূচীত জাতি পৰিষদ (কেন্দ্ৰীয় সমিতি), অসম উড়িয়া যুৱ ছাত্ৰ পৰিষদ, সদৌ বিটিআৰ নাথ যোগী ছাত্ৰ সন্থা, সদৌ বিটিআৰ সূত্ৰধৰ সন্মিলনী, সদৌ হাজং ছাত্ৰ সন্থা আৰু সদৌ বৰ্মন মান্দাই ছাত্ৰ সন্থাৰ প্ৰতিনিধিসকলো উপস্থিত থাকে।

**পুঃডেঃ**
**২২/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in